**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***

-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, হাৰিয়ানাত সত্যতা, উন্নয়ন আৰু সুপ্ৰশাসনে জয়লাভ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান, এ আই আই এ-ৰ অষ্টম প্ৰতিষ্ঠা দিৱস আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

৩। দিল্লী উচ্চ ন্যায়ালয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ নাগৰিকত্ব বাতিল কৰাৰ সন্দৰ্ভত ৰুজু হোৱা এটা গোচৰৰ শুনানি স্থগিত ৰাখিছে।

৪। ৰাষ্ট্ৰসংঘৰ জনসংখ্যা পুঁজিয়ে প্ৰসূতি স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাক আগুৱাই নিয়াৰ ক্ষেত্ৰত ভাৰতৰ অসাধাৰণ অগ্ৰগতিক স্বীকৃতি প্ৰদান কৰিছে।

৫। দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ কোকেৰনাগত চলোৱা সন্ত্ৰাসবিৰোধী অভিযান এটাৰ সময়ত এজন সৈনিক সন্ধানহীন হোৱাৰ বাতৰি পোৱা গৈছে। **আৰু**

৬। ভাৰত আজি ডুবাইত হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ নিজৰ তৃতীয়খন খেলত শ্ৰীলংকাৰ সন্মুখীন হ'ব। ইপিনে ভাৰত আৰু বাংলাদেশৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, হাৰিয়ানাত সত্যতা, উন্নয়ন আৰু সুপ্ৰশাসনে জয়লাভ কৰিছে। তেওঁ কয় যে, উন্নয়নৰ বিষয়টোক লৈ হাৰিয়ানাৰ জনসাধাৰণে বিজেপিক জয়লাভৰ ক্ষেত্ৰত হেটট্ৰিক অৰ্জন কৰাৰ সুবিধা প্ৰদান কৰিছে। হাৰিয়ানা বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে ঐতিহাসিক বিজয় সাব্যস্ত কৰাৰ পাছত দলটোৰ নতুন দিল্লীস্থিত মুখ্য কাৰ্যালয়ত আয়োজিত দলীয়া কৰ্মীসকলৰ এখন সভাত শ্ৰী মোদীয়ে হাৰিয়ানাৰ লগতে জম্মু আৰু কাশ্মীৰৰ জনসাধাৰণক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, বিজেপি কেৱল বিশ্বৰ সৰ্ববৃহৎ দলেই নহয়, ই সৰ্বাধিকসংখ্যক লোকৰ অন্তৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে।

বৰ্তমানলৈ হাৰিয়ানাত ১৩ বাৰ নিৰ্বাচন অনুষ্ঠিত হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে, ইয়াৰ ভিতৰত ১০টা নিৰ্বাচনতেই হাৰিয়ানাৰ জনসাধাৰণে প্ৰতি ৫ বছৰৰ মূৰে মূৰে চৰকাৰ পৰিৱৰ্তনৰ হকে ৰায় দিছে। কেৱল এইবাৰেই দুটা কাৰ্যকাল সম্পূৰ্ণ কৰা এখন চৰকাৰক পুনৰবাৰ শাসনত অধিষ্ঠিত হ'বৰ বাবে ৰাজ্যখনৰ জনসাধাৰণে সুযোগ প্ৰদান কৰিছে। বিজেপি চৰকাৰে ৰাষ্ট্ৰক অগ্ৰাধিকাৰ প্ৰদান কৰাৰ লগতে দলটো দৰিদ্ৰজনৰ সেৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, কেন্দ্ৰ অথবা হাৰিয়ানা কোনো এখন চৰকাৰৰ বিৰুদ্ধে বিগত ১০ বছৰত দুৰ্নীতিৰ এটাও অভিযোগ উত্থাপিত হোৱা নাই।

আনহাতে জম্মু আৰু কাশ্মীৰৰ প্ৰসংগত তেওঁ কয় যে, কেইবাটাও দশকৰ অপেক্ষাৰ অন্তত অৱশেষত জম্মু আৰু কাশ্মীৰত শান্তিপূৰ্ণভাৱে বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ল। ৰাজ্যখনৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰতিটো ৰাজনৈতিক দলৰ ভিতৰত ভোটৰ অংশৰ দিশৰ পৰা বিজেপিয়েই সৰ্ববৃহৎ দল

হিচাপে পৰিগণিত হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, ৩৭০ নম্বৰ অনুচ্ছেদৰ বিলোপ সাধনৰ পাছত কোনো কোনো লোকে কাশ্মীৰত জুই জ্বলিব বুলি আশংকা প্ৰকাশ কৰিছিল যদিও দৰাচলতে বৰ্তমান কাশ্মীৰখন অধিক পৰিমাণে প্ৰস্ফুটিত হৈ উঠিছে। বিকশিত ভাৰতৰ প্ৰসংগত শ্ৰী মোদীয়ে কৃষক, যুৱ সম্প্ৰদায়, মহিলা আৰু দৰিদ্ৰ জনসাধাৰণ এই চাৰিটা স্তম্ভৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। জম্মু-কাশ্মীৰতেই হওক অথবা হাৰিয়ানাৰ ক্ষেত্ৰতেই হওক, সমগ্ৰ দেশৰ উন্নয়নৰ বিষয়ত চৰকাৰে এই চাৰিটা স্তম্ভৰ প্ৰতি দৃষ্টি আৰোপ কৰিব বুলি তেওঁ উল্লেখ কৰে। শ্ৰী মোদীয়ে লগতে কয় যে, জনসাধাৰণৰ এই ৰায়দানে ভাৰতবৰ্ষক বিশ্বৰ দক্ষতাৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ সিদ্ধান্তক অধিক শক্তিশালী কৰাৰ লগতে দেশখনক অধিক সুৰক্ষিত কৰা তথা কঠোৰতম সিদ্ধান্ত গ্ৰহণৰ বাবেও অধিক সাহসী কৰি তুলিব। পৰৱৰ্তী ৫ বছৰত সমগ্ৰ দেশখনে পূৰ্বতকৈ অধিক খৰটকীয়া উন্নয়ন দেখিবলৈ পাব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে।

সভাখনত তেওঁ নিৰ্বাচন আয়োগ, আৰক্ষী আৰু ন্যায় পালিকাকে ধৰি দেশৰ প্ৰতিটো প্ৰতিষ্ঠানৰেই দুৰ্নাম কৰা বুলি কংগ্ৰেছ দলটোক দোষাৰোপ কৰে। আজিৰ এই সভাত বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডায়ো দলীয় কৰ্মীসকলক উদ্দেশ্য কৰি ভাষণ দিয়ে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান, এ আই আই এ-ৰ অষ্টম প্ৰতিষ্ঠা দিৱস আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত আয়ুষ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপৰাও যাদৱ আৰু দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনায়েও অংশগ্ৰহণ কৰে।

০০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ নাগৰিকত্ব বাতিল কৰাৰ সন্দৰ্ভত ৰুজু হোৱা এটা গোচৰৰ শুনানি স্থগিত ৰাখিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে কংগ্ৰেছ নেতাগৰাকীৰ নাগৰিকত্ব খাৰিজ কৰাৰ বাবে আহ্বান জনাই দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনৰ শুনানি মুখ্য ন্যায়াধীশ মনমোহন নেতৃত্বাধীন খণ্ড পীঠখনে অহা ৬ নৱেম্বৰলৈ স্থগিত ৰখাৰ সিদ্ধান্ত ঘোষণা কৰে। উল্লেখযোগে যে ৰাহুল গান্ধীয়ে নিজকে ব্ৰিটেইনৰ নাগৰিক হিচাপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত গৃহ মন্ত্ৰালয়ে এই আবেদনখন দাখিল কৰিছিল।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ জনসংখ্যা পুঁজিয়ে প্ৰসূতি স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাক আগুৱাই নিয়াৰ ক্ষেত্ৰত ভাৰতৰ অসাধাৰণ অগ্ৰগতিক স্বীকৃতি দিছে। নতুন দিল্লীত প্ৰসূতি স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাত ভাৰতৰ নেতৃত্বক সন্মান জনাই UNFPAৰ কাৰ্যবাহী সঞ্চালিকা ডাঃ নাটালিয়া কানেমে মহিলাৰ স্বাস্থ্য আৰু সুস্থতাৰ দিশত ভাৰতৰ সৈতে অংশীদাৰিত্বৰ বাবে ইউএনএফপিএ-ৰ দায়বদ্ধতাৰ ওপৰত আলোকপাত কৰে। ড° কানেমে ২০০০ চনৰ পৰা ২০২০ চনৰ ভিতৰত প্ৰসূতি মৃত্যুৰ অনুপাত (এমএমআৰ) ৭০% হ্ৰাস কৰি ২০৩০ চনৰ পূৰ্বেই ৭০ৰ তলৰ এই অনুপাতৰ বহনক্ষম উন্নয়ন লক্ষ্য (এছডিজি) ত দেশখনক উপনীত হোৱাত ভাৰতক প্ৰশংসা কৰে।এই উল্লেখযোগ্য অগ্ৰগতিয়ে দেশজুৰি হাজাৰ হাজাৰ মহিলাৰ জীৱন ৰক্ষা কৰিছে, বিশেষকৈ প্ৰান্তীয় সম্প্ৰদায়ৰ মহিলাসকলৰ। কানেমে কেন্দ্ৰীয় স্বাস্থ্য সচিব পুণ্য সলিলা শ্ৰীবাস্তৱক এখন ফলক আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে মহাৰাষ্ট্ৰত ৭ হাজাৰ ৬০০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত তেওঁ নাগপুৰৰ ড০ বাবাছাহেব আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ উন্নীতকৰণ

প্ৰকল্পৰ লগতে শ্বিৰ্দী বিমানবন্দৰৰ নতুন সংহত টাৰ্মিনেল ভৱনৰো আধাৰশিলা স্থাপন কৰিব। তদুপৰি প্ৰধানমন্ত্ৰীয়ে মহাৰাষ্ট্ৰত নতুনকৈ নিৰ্মাণ কৰা দহখন চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ পাঠদান প্ৰক্ৰিয়াৰো আনুষ্ঠানিক আৰম্ভণি কৰিব। আনহাতে ভাৰতবৰ্ষক বিশ্বৰ দক্ষতাৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰ সৈতে সামঞ্জস্য ৰাখি প্ৰধানমন্ত্ৰীয়ে Indian Institute of Skills Mumbai নামৰ প্ৰতিষ্ঠানটোও উদ্বোধন কৰিব।

OOOOOOO

দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ কোকেৰনাগত চলোৱা সন্ত্ৰাসবিৰোধী অভিযান এটাৰ সময়ত এজন সৈনিক সন্ধানহীন হোৱাৰ বাতৰি পোৱা গৈছে। সেনা বাহিনীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰকাশ কৰা মতে চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত কোকেৰনাগৰ কাজৱান বনাঞ্চলত কালি আৰক্ষী আৰু আন নিৰাপত্তা সংস্থাসমূহে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলায়। ওৰে নিশা চলোৱা এই অভিযানৰ সময়তে এজন জোৱান সন্ধানহীন হোৱা বুলি উল্লেখ কৰি বাতৰিটোত লগতে কোৱা হৈছে যে, অঞ্চলটোত ব্যাপক তালাচী অভিযান চলাই থকা হৈছে।

OOOOOOO

ভাৰত আজি ডুবাইত হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ নিজৰ তৃতীয়খন খেলত শ্ৰীলংকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। একেটা স্থানত হ'বলগীয়া প্ৰতিযোগিতাৰ আন এখন খেলত স্কটলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

OOOOOOO

ভাৰত আৰু বাংলাদেশৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাৰ ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰিছিল।

OOOOOOO

ভাৰতীয় শ্বাটলাৰ লক্ষ্য সেন আজি ফিনলেণ্ডৰ ভান্টাত অনুষ্ঠিত আৰ্কটিক অ'পেন ২০২৪ৰ প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি তেওঁ পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত ডেনমাৰ্কৰ ৰাছমুছ গেমকেৰ বিৰুদ্ধে খেলাৰ কথা আছিল যদিও গেমকেই প্ৰথম ৰাউণ্ডৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰাত সেনে ৱাক অভাৰ পায়। প্ৰতিযোগিতাত আজি অন্য এগৰাকী ভাৰতীয় শ্বাটলাৰ কিৰণ জৰ্জ চাইনিজ টাইপেইৰ ৱাং ট্জু ৱেইৰ বিৰুদ্ধে খেলিব।

মহিলাৰ একক শাখাত দুবাৰৰ অলিম্পিক পদক বিজয়ী পি.ভি. কালি প্ৰথম ৰাউণ্ডত কানাডাৰ মিচেল লিৰ হাতত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয় । অৱশ্যে ভাৰতৰ আকৰ্ষী কাশ্যপ আৰু মালবিকা বানছ'ডে ৰাউণ্ড অফ 16 লৈ আগবাঢ়ি যায়।কাশ্যপে জাৰ্মানীৰ ইভন লিক ২১-১৯, ২১-১৪ গ'লত পৰাস্ত কৰাৰ বিপৰীতে বানছ'দে বিশ্বৰ ২৩ নং টাইপেইৰ ছুং শুও ইউনক ২১-১৯, ২৪-২২ গ'লত পৰাস্ত কৰে।

OOOOOOO

সমাপ্ত